# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-01-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে আজি সন্ধিয়া নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতাৰ সন্মিলনৰ সামৰণি সত্ৰত অংশগ্ৰহণ কৰিব।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছ্ৰোৱে আজি পুৱা ১০ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা PSLV-C62 / EOS-N1 যান উৎক্ষেপন কৰিব।

৪। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচিত জি-চেভেন গুৰুত্বপূৰ্ণ খনিজ মন্ত্ৰ্যালয়ৰ বৈঠকত অংশ ল'ব।

*আৰু*

৫। গুজৰাটৰ বডোডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত যোৱানিশা ভাৰতে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদত জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰিব। শ্ৰীমোদী আৰু চেঞ্চেলৰ মাৰ্জে  সবৰমতী আশ্ৰম পৰিদৰ্শন কৰাৰ লগতে আহমেদাবাদত আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱত অংশ ল'ব। গান্ধীনগৰৰ মহাত্মা মন্দিৰত প্ৰধানমন্ত্ৰী আৰু চেঞ্চেলৰ মাৰ্জে ভাৰত-জাৰ্মানী কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। ভাৰত আৰু জাৰ্মানীৰ মাজৰ কৌশলগত সহযোগিতাই শেহতীয়াকৈ ২৫ বছৰ সম্পূৰ্ণ কৰিলে। উল্লেখযোগ্য যে, জাৰ্মান চেঞ্চেলৰ গৰাকী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভাৰতত উপস্থিত হয়। শ্ৰীমাৰ্জৰ এই ভ্ৰমণে ভাৰত-জাৰ্মান সম্পৰ্কত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। দুয়োগৰাকী নেতাই বাণিজ্য-বিনিয়োগ আৰু উন্নত প্ৰযুক্তিৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে প্ৰতিৰক্ষা, সেউজ বহনক্ষম বিকাশ তথা বিজ্ঞান আৰু গৱেষণা ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ooooo

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে এই দিৱস উদযাপন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে আজি সন্ধিয়া নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতাৰ সন্মিলনৰ সামৰণি সত্ৰত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে এই অনুষ্ঠানতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক প্ৰতিনিধিত্ব কৰা যুৱ প্ৰতিনিধিসকলৰ উপৰি সমগ্ৰ দেশৰ প্ৰায় ৩ হাজাৰ যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। সন্মিলনত বচা বচা কিছু সংখ্যক যুৱক-যুৱতীয়ে যুৱ নেতৃত্বাধীন দৃষ্টিভংগী আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ উল্লেখনীয় খণ্ডত কাৰ্যকৰী ধাৰণা সন্দৰ্ভত ১০টা বিষয়ত উপস্থাপন কৰিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে  বিকশিত ভাৰত যুৱ নেতা সন্মিলন ২০২৬ৰ ৰচনা সংকলন মুকলি কৰিব। এই সংকলনত ভাৰতৰ উন্নয়নমূলক অগ্ৰাধিকাৰ আৰু দীৰ্ঘম্যাদী ৰাষ্ট্ৰ নিৰ্মাণৰ লক্ষ্য সন্দৰ্ভত যুৱ লেখকসকলৰ নিৰ্বাচিত ৰচনাৱলী সন্নিৱিষ্ট কৰা হৈছে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছৰোৱে আজি পুৱা ১০ বাজি ১৭ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ প্ৰথম উৎক্ষেপন কেন্দ্ৰৰ পৰা PSLV-C62 / EOS-N1 যান উৎক্ষেপন কৰিব। ই ভাৰতৰ সকলোতকৈ নিৰ্ভৰযোগ্য আৰু সফল উৎক্ষেপন যান PSLVৰ ৬৪ সংখ্যক উৎক্ষেপন। নিউ স্পেচ লিমিটেডৰ দ্বাৰা এই অভিযান সম্পন্ন হ'ব আৰু ই পৃথিৱীৰ নিৰীক্ষণ উপগ্ৰহৰ নৱম বাণিজ্যিক যান হ'ব। ই ভাৰত আৰু অন্য দেশৰ ১৫টা উপগ্ৰহ কঢ়িয়াই নিব। এই উৎক্ষেপন পি এছ্ এল ভি- ডি এল সংস্কৰণো ব্যৱহাৰ কৰা হৈছে। ২০০টা ষ্ট্ৰেপ অন মটৰেৰে সংযোজিত এই যানে উপগ্ৰহসমূহক সঠিক স্থানলৈ লৈ যাবলৈ সমৰ্থৱান। এই যানৰ এটা বিশেষ আকৰ্ষণ হৈছে ইয়াত স্পেনিছ ষ্টাৰ্ট আপৰ দ্বাৰা বিকশিত কেষ্ট্ৰেল প্ৰযুক্তি প্ৰদৰ্শন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচিত জি-চেভেন গুৰুত্বপূৰ্ণ খনিজ মন্ত্ৰ্যালয়ৰ বৈঠকত অংশ ল'ব। জি-চেভেন গুৰুত্বপূৰ্ণ খনিজ মন্ত্ৰ্যালয়ৰ বৈঠকত কৌশলগত সম্পদসমূহৰ বাবে গোলকীয় যোগান শৃংখলা সুৰক্ষিত কৰাৰ লক্ষ্যৰে আলোচনা অনুষ্ঠিত হয়। শ্ৰীবৈষ্ণৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে বিকশিত ভাৰতৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে গুৰুত্বপূৰ্ণ খনিজ সম্পদসমূহৰ যোগান শৃংখলা সুৰক্ষিত কৰাটো অধিক প্ৰয়োজন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ট্ৰেজাৰী সচিব স্কট বেছেণ্টে শেহতীয়াকৈ ভাৰত আৰু অষ্ট্ৰেলিয়াকে ধৰি কেইবাখনো দেশে গুৰুত্বপূৰ্ণ খনিজ সন্দৰ্ভত আলোচনাৰ বাবে বাশ্বিংটনত আয়োজন কৰা জি-ছেভেন বিত্ত মন্ত্ৰালয়ৰ বৈঠকত অংশ ল'ব বুলি প্ৰকাশ কৰিছিল। এই সাতখন ৰাষ্ট্ৰ হৈছে আমেৰিকা, ব্ৰিটেইন, জাপান, ফ্ৰান্স, জাৰ্মানী, ইটালী আৰু কানাডা। উল্লেখযোগ্য যে, লিথিয়াম, কোবাল্ট, গ্ৰেফাইট আৰু তামৰ দৰে গুৰুত্বপূৰ্ণ খনিজসমূহ প্ৰতিৰক্ষা ব্যৱস্থা, ছেমি কণ্ডাক্টৰ, নবীকৰণযোগ্য শক্তি প্ৰযুক্তি, বৈদ্যুতিক বাহনৰ বেটাৰী আৰু উন্নত উৎপাদনৰ বাবে অতি প্ৰয়োজনীয়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি তিৰুৱনন্তমপুৰমত বিজেপিৰ ৰাজ্যিক ক'ৰ কমিটী বৈঠকত অংশগ্ৰহণ কৰে।

গৃহমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে তিৰুৱনন্তমপুৰমত নতুন ভাৰত, নতুন কেৰালা শীৰ্ষক সন্মিলন উদ্বোধন কৰে। শ্ৰীশ্বাহে আয়ুৰ্বেদ, তথ্য-প্ৰযুক্তি, পৰ্যটন আৰু ক্ৰীড়াৰ দৰে খণ্ডত কেৰালাৰ প্ৰগতিৰ প্ৰশংসা কৰে। নৰেন্দ্ৰ মোদী চৰকাৰে দেশখনক আত্মবিশ্বাসী, উচ্চাকাংক্ষী আৰু আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব বিচাৰিছে বুলি উল্লেখ কৰি

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰত্যেকখন ৰাজ্যই নিজৰ সম্ভাৱনা উপলব্ধি কৰি  এই লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰা উচিত বুলি মত প্ৰকাশ কৰে। তিৰুৱনন্তপুৰমত এল ডি এফ আৰু ইউ ডি এফ চৰকাৰে ৰাজনৈতিক স্থবিৰতাৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে কেৰালাই বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ জৰিয়তে প্ৰগতিৰ দিশে ধাৱিত হ'ব পাৰে। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ স্থানীয় নিকায়সমূহত নৱ-নিৰ্বাচিত বিজেপিৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

ooooo

ভাৰতে ২০৩০ চনত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধন আৰু ২০৭০ চনত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যপ্ৰাপ্তিৰ প্ৰতিশ্ৰুতি লোৱা হৈছে। ডুবাইত অনুষ্ঠিত যোড়শ আন্তঃৰাষ্ট্ৰীয় নবীকৰণযোগ্য শক্তি সংস্থাৰ সন্মিলনত কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে অংশগ্ৰহণ কৰি কয় যে ভাৰতে বসুধৈৱ কুটুম্ব কম নীতিৰে আৰু এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যতৰ দৃষ্টিৰে শক্তি আহৰণত গুৰুত্ব দিছে। তেওঁ কয়, যে এই দৃষ্টিভংগীয়ে সমতা, সংহত আৰু স্থিৰ নীতিৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব। শ্ৰীযোশীয়ে কয়, যে ভাৰতে ইতিমধ্যে ২০২৫ চনত ৫০ শতাংশ অজীৱাশ্ম ইন্ধন আহৰণ কৰিবলৈ সমৰ্থ হৈছে।

ooooo

হায়দৰাবাদৰ বোলাৰুমত থকা ৰাষ্ট্ৰপতি নিলয়মে আয়োজন কৰা উদ্যান উৎসৱৰ দ্বিতীয় সংস্কৰণৰ বিগত ৯ দিনত ১ লাখৰো অধিক লোকৰ সমাগম ঘটে। ভাৰতৰ ঐতিহ্য, কৃষি, বহন ক্ষমতা আৰু জনসাধাৰণৰ সহযোগিতাক উদযাপন কৰা এই উদ্যান উৎসৱৰ কালি সন্ধিয়া সামৰণি পৰে। হায়দৰাবাদৰ ৰাষ্ট্ৰপতি নিলয়মৰ উদ্যোগত আৰু কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সৌজন্যত ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰিত ব্যৱস্থাপনাৰ সহযোগত আয়োজন কৰা এই উৎসৱ বিদ্যালয়ৰ শিক্ষাৰ্থী, কৃষক, উদ্যোগী, ষ্টাৰ্টআপ, কৃষক উৎপাদক সংস্থা আৰু বিভিন্ন ক্ষেত্ৰৰ লোকে দৰ্শন কৰে। এই উৎসৱত ৫০ খন বিষয়বস্তু সম্বলিত বিপণীকে ধৰি ১২০টাৰো অধিক প্ৰদৰ্শনী অনুষ্ঠিত হয়।

ooooo

গুজৰাটৰ বডোডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত যোৱানিশা ভাৰতে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। ভাৰতে ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৯ অভাৰত ৬টা উইকেট হেৰুৱাই ৩০৬ ৰান কৰে। খেলৰ আৰম্ভণিতে অধিনায়ক ৰোহিত শৰ্মা মাত্ৰ ২৬ ৰান কৰি আউট হোৱাৰ পাছত বিৰাট কোহলি আৰু সুভমন গিলে সুন্দৰ বেটিঙেৰে ভাৰতক জয়ৰ দিশে লৈ যায়। বিৰাট কোহলিয়ে ৯৩, সুভমন গিলে ৫৬ আৰু শ্ৰেয়াৰ্ছ আয়াৰে ৪৯ ৰান কৰে। নিউজিলেণ্ডৰ কাইল জেমিছনে ৪টা উইকেট দখল কৰে। খেলখনত বিৰাট কোহলিয়ে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ২৮ হাজাৰ ৰান কৰা দ্ৰুততম খেলুৱৈ হিচাপে শচীন তেণ্ডুলকাৰৰ অভিলেখ ভংগ কৰে।  কোহলি লগতে শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাক পিছ পেলাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ আটাইকেইটা ফৰমেটত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ হিচাপেও পৰিগণিত হয়।

ইয়াৰ পূৰ্বে, নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভাৰতক জয়ৰ বাবে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলটোৱে নিৰ্ধাৰিত অ'ভাৰত ৮টা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ডেৰিল মিছেলে ৮৪, হেনৰী নিকলছে ৬২ আৰু ডেভন কনৱেই ৫৬ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, হৰ্ষিত ৰাণা আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে।

তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেল অহা বুধবাৰে ৰাজকোটৰ নিৰঞ্জন শ্বাহ্ ষ্টেডিয়ামত আৰু তৃতীয় তথা অন্তিমখন খেল ১৮ জানুৱাৰীত ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**